# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-07-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সন্ধিয়া গুৱাহাটীৰ ৰুক্মিনীগাঁৱৰ নৱনিৰ্মিত উৰণ সেতুখন উদ্বোধন কৰিব। ১১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ৬৭০ মিটাৰ দৈৰ্ঘ্যৰ এই চাৰিশাৰীয়া উৰণ সেতুখনে ছয়মাইল, ডাউন টাউন, ৰুক্মিনীগাঁৱৰ যান-জট লাঘৱ কৰিব বুলি আশা কৰা হৈছে। যোৱা বছৰৰ অক্টোবৰত নিৰ্মাণ কাৰ্য আৰম্ভ কৰা উৰণ সেতুখনৰ নিৰ্মাণৰ বাবে ১৮ মাহ ধাৰ্য কৰা হৈছিল যদিও ৯ মাহৰ ভিতৰতে নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হয়। উদ্বোধনী অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ অভিভাৱক মন্ত্ৰী তথা কৃষি মন্ত্ৰী অতুল বৰা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি আৰু গুৱাহাটী পৌৰসভাৰ মেয়ৰ মৃগেন শৰণীয়া প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা অনুসৰি উৰণ সেতু দুখন কামৰূপৰ ৰজা ভগদত্তৰ নামেৰে নামকৰণ কৰা হ'ব।

মুখ্যমন্ত্ৰী ডং শৰ্মাই আজি বিয়লি তিনি বজাত গুৱাহাটীৰ শ্ৰী মন্ত শংকৰদেৱ আন্তৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ উপস্থিতিত বড়োলেণ্ড স্পীকছ্ ফ্ৰম ভীজন টু এক্সন শীৰ্ষক বিশেষ উদ্যমো মুকলি কৰিব।

০০০০

লখিমপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত গ্ৰামাঞ্চলত উচ্ছেদ কৰা প্ৰতিটো খিলঞ্জীয়া পৰিয়ালক চৰকাৰে ৯ বিঘাকৈ ভূমি প্ৰদান কৰিব। শিক্ষামন্ত্ৰী তথা লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই ৯ বিঘা ভূমিৰ এবিঘা ঘৰৰ ভেটিৰ বাবে আৰু বাকী ৮ বিঘা ভূমি খেতি কৰাৰ বাবে দিয়া হ'ব। এই লোকসকলে বসুন্ধৰা এপৰ জৰিয়তে আবেদন কৰিলেই চৰকাৰে তেওঁলোকক ভূমিৰ আৱণ্টন দিব বুলি ডাঃ পেগুৱে প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰী ভূমিত বিশেষকৈ ভি জি আৰ আৰু পি জি আৰ হিচাপে স্বীকৃত ভূমি দখল কৰি থকা লোকসকলক চৰকাৰে উচ্ছেদ কৰিব। ডাঃ পেগুৱে জনোৱা অনুসৰি দখলমুক্ত কৰা এই মাটি বৰ্তমানলৈকে কাকো আৱণ্টন দিয়া হোৱা নাই আৰু চৰকাৰে সংৰক্ষিত ভূমি হিচাপে নিজৰ লগত ৰাখি পাছত উদ্যোগ স্থাপন বা আন কোনো চৰকাৰী কামৰ বাবে ব্যৱহাৰ কৰিব। লখিমপুৰৰ ফুকনহাট অঞ্চলত চলোৱা অভিযানত দুশতকৈও অধিক পৰিয়ালক উচ্ছেদ কৰা হয়।

০০০০

মাজুলীক ৰাজ্য চৰকাৰে হেৰিটেজ ব্লক এণ্ড বেল্টৰ অধীনলৈ অনাৰ সিদ্ধান্ত লোৱাৰ পাছত এতিয়াৰে পৰা মাজুলীৰ ভূমি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত কেতবোৰ নীতি নিৰ্ধাৰণ কৰিছে। এই অনুসৰি মাজুলীত যিকোনো লোকে

ভূমি ক্রয়-বিক্রয় কৰিব নোৱাৰিব। জিলাখনৰ স্থানীয় বাসিন্দা, বিশেষকৈ তিনিটা প্ৰজন্ম ধৰি মাজুলীত স্থায়ীভাৱে বসবাস কৰি থকা লোকেহে ভূমি ক্রয়-বিক্রয় কৰিব পাৰিব বুলি চৰকাৰী নিৰ্দেশনাত স্পষ্ট কৰি দিয়া হৈছে। বিশ্বৰ সৰ্ববৃহৎ নদী দ্বীপটো হেৰিটেজ ব্লক এণ্ড বেল্টৰ আওতালৈ অনাত বিভিন্ন দল-সংগঠনৰ লগতে মাজুলীৰ বহুকেইগৰাকী সত্ৰাধিকাৰে আদৰণি জনাইছে।

০০০০

নীপকোৱে কালি সন্ধিয়া ৭ বাজি ৩০ মিনিটত পুনৰ ৰঙানদী প্ৰকল্পৰ পানী মোকলাই দিয়ে। প্ৰকল্পটোৰ এক নম্বৰ গে'টেৰে ৩৫০ মিলিমিটাৰ পানী এৰি দিয়াৰ পাছত নিশা ৮ বাজি ১০ মিনিটত পুনৰ ৭০০ মিলিমিটাৰ পানী এৰি দিয়ে। ইয়াৰ ফলত লখিমপুৰৰ নৈপৰীয়া ৰাইজ পুনৰ বানৰ কবলত পৰাৰ আশংকা কৰা হৈছে। কালি পুৱা নীপকোৱে এটা বাৰ্তাযোগে লখিমপুৰ জিলা প্ৰশাসনলৈ পানী এৰি দিয়াৰ সন্দৰ্ভত জানিবলৈ দিছে। বিশেষকৈ ৰঙানদী প্ৰকল্পৰ জলধাৰ বৃদ্ধি আৰু ধাৰাষাৰ বৰষুণৰ বাবেই নীপকোৱে এই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত ঢকুৱাখনা জিলা ক্ৰীড়া সন্থালৈ আগবঢ়োৱা ক্ৰীড়া সামগ্ৰী আৰু অনুদানৰ চেক কালি আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত জিলা ক্ৰীড়া বিষয়া মানসজ্যোতি দাস, ঢকুৱাখনা জিলা ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি প্ৰদীপ চমুৱা, সাধাৰণ সম্পাদক অচ্যুৎ চক্ৰধৰৰ লগতে পৌৰ আয়ুক্তসকল, বিধায়ক নৱ কুমাৰ দলে আদি উপস্থিত থাকে। একেদিনাই সদৌ অসম কেওট জাতীয় পৰিষদৰ ঢকুৱাখনা জিলা সমিতিৰ উদ্যোগত হিতাধিকাৰীসকলৰ মাজত চিলাই মেচিন বিতৰণ কাৰ্যসূচীও অনুষ্ঠিত হয়। অনুষ্ঠানত পশ্চিম ঢকুৱাখনা জিলা পৰিষদৰ সদস্য ছোনিয়া বৰগোহাঁই, হাৰ্হি মাতমৰা জিলা পৰিষদৰ সদস্য প্ৰণৱ পেগু, সদৌ অসম কেওট জাতীয় পৰিষদৰ লখিমপুৰ জিলাৰ সভাপতি হিৰণ্য দত্ত আদিৰ লগতে হিতাধিকাৰীসকলো উপস্থিত থাকে।

০০০০

ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাই যোৱা ২ জুলাইৰ পৰা খেলুৱৈসকলৰ বাবে আয়োজন কৰা গ্ৰীষ্মকালীন ৪ দিনীয়া শিবিৰৰ কালি সামৰণি পৰে। খেল পথাৰত এগৰাকী খেলুৱৈয়ে নিজকে মানসিকভাৱে প্ৰস্তুত কৰিবলৈ কেনেধৰণৰ পৰিকল্পনা কৰিব লাগে, সেই বিষয়ে খেলুৱৈসকলক প্ৰশিক্ষণ দিয়া হয়। এই শিবিৰত অসম ক্ৰিকেট সন্থাৰ স্বীকৃতিপ্ৰাপ্ত মানসিক শক্তি বৃদ্ধিৰ বিশেষজ্ঞ তথা মনোবিজ্ঞানী ত্ৰিবেনী ভট্টাচাৰ্য্য সমল ব্যক্তি হিচাপে উপস্থিত থাকে। সামৰণি অনুষ্ঠানত অংশগ্ৰহণকাৰী প্ৰায় ৭০ গৰাকী খেলুৱৈক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................